# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-03-2024
**Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনিৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি চৰকাৰে সকলো গাঁৱলৈ ডিজিটেল সুবিধা সম্প্ৰসাৰণ কৰি আছে বুলি মন্তব্য কৰিছে।

২। প্ৰধানমন্ত্ৰীয়ে কৈছে যে ছেটজিপিটিৰ সৈতে মানুহৰ প্ৰতিযোগিতা হ'ব লাগে আৰু কৃত্ৰিম বুদ্ধিমত্তাতকৈ আগবাঢ়ি যাবলৈ মানুহে চেষ্টা কৰিব লাগে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰ আৰু ইউক্ৰেইনৰ বিদেশ মন্ত্ৰী ডিমাইট্ৰ' কুলেবা নতুন দিল্লীত বৈঠকত মিলিত হৈছে।

৪। ভাৰতৰ ৰোহন বোপন্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এব্‌ডেনৰ যুটিটো মিয়ামী অ'পেন টেনিছ্ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ফাইনেলত প্ৰৱেশ কৰিছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু কলকাতা নাইট ৰাইডাৰ্চৰ সন্মুখীন হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনিৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি চৰকাৰে সকলো গাঁৱলৈ ডিজিটেল সুবিধা সম্প্ৰসাৰণ কৰি আছে বুলি মন্তব্য কৰিছে। বিল গেট্‌ছৰ সৈতে মত বিনিময় কৰি শ্ৰী মোদীয়ে কয় যে কৃষি স্বাস্থ্য আৰু শিক্ষাত প্ৰযুক্তিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। যেতিয়া বিশ্বত ডিজিটেল বিভাজনৰ কথা প্ৰথমে ওলাইছিল, তেতিয়াই প্ৰধানমন্ত্ৰীয়ে সিদ্ধান্ত লৈছিল যে ভাৰতত এই বিভাজনৰ কোনোধৰণৰ কুপ্ৰভাৱ তেওঁ পৰিবলৈ নিদিয়ে।

কৃত্ৰিম বুদ্ধিমত্তাৰ কথা উল্লেখ কৰি শ্ৰী মোদীয়ে কৈছে যে যদি আমি এলাহৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ ওপৰত নিৰ্ভৰ কৰোঁ, তেন্তে ই, ভুল পথ। তেওঁ লগতে কয় যে যদিহে যাদুকৰী আহিলা হিচাপে কৃত্ৰিম বুদ্ধিমত্তা হয়, তেন্তে ই অন্যায়ৰ সৃষ্টি কৰিব। কৃত্ৰিম বুদ্ধিমত্তা অত্যন্ত ভাল আহিলা, কিন্তু উপযুক্ত প্ৰশিক্ষণ নোপোৱা কাৰোবাৰ হাতত পৰিলে ইয়াৰ অপব্যৱহাৰ হোৱাৰ সম্ভাৱনা আছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কৈছে যে ছেটজিপিটিৰ সৈতে মানুহৰ প্ৰতিযোগিতা হ'ব লাগে আৰু কৃত্ৰিম বুদ্ধিমত্তাতকৈ আগবাঢ়ি যাবলৈ মানুহে চেষ্টা কৰিব লাগে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কৃত্ৰিম বুদ্ধিমত্তাৰ দ্বাৰা সৃষ্টি হোৱা বিষয়বস্তুৰ ওপৰত স্পষ্ট ৱাটাৰমাৰ্ক থাকিব লাগে বুলি উল্লেখ কৰি কয় যে এইধৰণৰ চিহ্ন থাকিলে কোনোৱেই বিপথে পৰিচালিত নহয়।

স্বাস্থ্যখণ্ডৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে প্ৰায় ২ লাখ আয়ুস্মান আৰোগ্য মন্দিৰ গাঁৱে-ভূঞে নিৰ্মাণ কৰা হৈছে আৰু এই স্বাস্থ্যকেন্দ্ৰসমূহ সাকো হিচাপে আধুনিক প্ৰযুক্তিৰে উন্নত চিকিৎসালয়ৰ সৈতে সংযুক্ত কৰা হৈছে। তেওঁ কয় যে ভাৰতে একচেতিয়া অধিকাৰ ৰোধ কৰিবলৈ প্ৰযুক্তিৰ গণতান্ত্ৰিকভাৱে ব্যৱহাৰ কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে কয় যে ভাৰতত আইনী পৰিকাঠামো আছে যদিও জনসচেতনতাও সমানেই গুৰুত্বপূৰ্ণ।

ভাৰতত নতুন প্ৰযুক্তি গ্ৰহণৰ বাবে মহিলাসকলক আগবঢ়াই দিয়া হৈছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে নমো ড্ৰোণ দিদি আঁচনি সফলতাৰে চলি আছে। শ্ৰী মোদীয়ে কৈছে যে বৰ্তমান মানুহৰ মানসিকতা সলনি হৈছে, কাৰণ যেতিয়াই তেওঁ নমোঃ দ্ৰোণ দিদিৰ সৈতে মত বিনিময় কৰে, তেতিয়া তেওঁলোকে কয় যে পূৰ্বে এই মহিলাসকলে চাইকেল চলাব নাজানিছিল, কিন্তু বৰ্তমান ড্ৰোণ উৰুৱাব পাৰে।

ভাৰতে আয়োজন কৰা জি-টুৱেণ্টী সন্মিলনৰ বিষয়ে উল্লেখ কৰি শ্ৰী মোদীয়ে কৈছে যে জি-টুৱেণ্টী শীৰ্ষ সন্মিলন আৰু ইয়াৰ কাৰ্যসূচীসমূহৰ বিষয়ে পূৰ্বে বিস্তৃতভাৱে আলোচনা কৰা হৈছে। প্ৰধানমন্ত্ৰীগৰাকীৰ মতে সমগ্ৰ বিশ্বই এতিয়া জি-টুৱেণ্টীৰ মূল লক্ষ্য আৰু উদ্দেশ্যসমূহ বুজি পাইছে আৰু সেইবোৰ প্ৰয়োগ কৰাত আগভাগ লৈছে।

নৱীকৰণযোগ্য শক্তি সন্দৰ্ভত শ্ৰী মোদীয়ে কৈছে যে ভাৰতে এইখণ্ডত দ্ৰুতগতিত আগবাঢ়িছে। তেওঁ লগতে কয় যে দেশে হাইড্ৰ'জেন ইন্ধনৰ ব্যৱহাৰৰ ক্ষেত্ৰত আগ-ভাগ ল'বলৈ ইচ্ছা প্ৰকাশ কৰিছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুড ফ্ৰাইডে উপলক্ষে সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে যীশুখ্ৰীষ্টৰ বলিদানৰ কথা স্মৰণ কৰিছে। শ্ৰী মোদীয়ে কৈছে যে গুড ফ্ৰাইডেত আমি যীশুখ্ৰীষ্টৰ বলিদানৰ কথা মনত পেলোৱা উচিত। যীশুখ্ৰীষ্টই শিকোৱা মমতা আৰু ক্ষমাৰ পাঠেৰে সকলোৱে উদ্বুদ্ধ হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰিছে।

0000000

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ জয়শংকৰ আৰু ইউক্ৰেইনৰ বিদেশ মন্ত্ৰী ডিমাইট্ৰ' কুলেবা নতুন দিল্লীত বৈঠকত মিলিত হৈছে। দুয়োগৰাকী মন্ত্ৰীয়ে পাৰস্পৰিক স্বাৰ্থৰ আঞ্চলিক আৰু গোলকীয় বিষয়সমূহত দ্বিপাক্ষিক অংশীদাৰিত্ব আৰু সহযোগিতাৰ বিষয়ে আলোচনা কৰিছে। উল্লেখযোগ্য যে ইউক্ৰেইনৰ বিদেশ মন্ত্ৰী ডিমাইট্ৰ' কুলেবা দুদিনীয়া ভ্ৰমণসূচীৰে কালি নতুন দিল্লীত উপস্থিত হৈছিল। এই ভ্ৰমণৰ সময়ত শ্ৰী কুলেবাই বৈদেশিক পৰিক্ৰমা মন্ত্ৰী আৰু উপ-ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টাৰ সৈতে আনুষ্ঠানিক বৈঠককে ধৰি কেইবাটাও বিষয়ত আলোচনাত মিলিত হোৱাৰ কথা।

0000000

অসমত বিভিন্ন ৰাজনৈতিক দলৰ নেতাৰ আগমনক কেন্দ্ৰ কৰি ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। ৰাজ্যিক বিজেপিৰ সূত্ৰই জনোৱা মতে, প্ৰধানমন্ত্ৰী তথা দলৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোডী, দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, দলৰ জ্যেষ্ঠ নেতা অমিত শ্বাহ, অৰ্জুন মুণ্ডা, স্মৃতি ইৰানী আদিয়ে এন ডি এৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। ইতিমধ্যে ৰাজ্যখনত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু দলৰ নেতা সৰ্বানন্দ সোণোৱালে প্ৰচাৰ অব্যাহত ৰাখিছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ তৰফৰ পৰা জনোৱা মতে, অহা মাহৰ ২ তাৰিখৰ পৰা কংগ্ৰেছ দলে হেলিকপ্টাৰৰ দ্বাৰা প্ৰচাৰ চলাব। কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খৰ্গে, সাংসদ ৰাহুল গান্ধী, দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰা আদিয়ে কংগ্ৰেছ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী তথা টিএমচিৰ মুৰব্বী মমতা বেনাৰ্জীয়ে দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে প্ৰচাৰৰ চলাব। আপ, বিপিএফ, অগপ, ইউপিপিএলেও দলৰ জ্যেষ্ঠ নেতাৰ দ্বাৰা প্ৰচাৰ চলাৰ। অসমত ১৪খন আসনৰ বাবে তিনিটা পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব।

00000

কাৰাবন্দী গেংষ্টাৰৰ পৰা ৰাজনৈতিক নেতালৈ পৰিৱৰ্তন ঘটা মুখটাৰ আনচাৰীৰ যোৱানিশা উত্তৰ প্ৰদেশৰ বান্দা চিকিৎসা মহাবিদ্যালয় হস্পিতালত হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হোৱাৰ ফলত মৃত্যু হয়। পূৰ্বে আনচাৰীক ৰখা জিলা কাৰাগাৰতেই অসুস্থ হৈ পৰাৰ ফলত তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটা বুলি অভিযোগ উত্থাপিত হোৱাৰ পাছতেই তেওঁক হাস্পাতালত ভৰ্তি কৰোৱা হয়।

উত্তৰ প্ৰদেশৰ আৰক্ষী সঞ্চালকপ্ৰধান প্ৰশান্ত কুমাৰে কৈছে যে আনচাৰীৰ মৃত্যুৰ পাছত ৰাজ্যখনত ১৪৪ ধাৰাৰ অধীনত নিষেধাজ্ঞা জাৰি কৰা হৈছে। ৰাজ্যখনৰ গাজিপুৰ, মাও, বাৰাণসী আৰু অন্যান্য জিলাসমূহত প্ৰতিৰোধমূলক ব্যৱস্থা

হিচাপে নিৰাপত্তা কটকটীয়া কৰা হৈছে। উল্লেখযোগ্য যে, যোৱা সপ্তাহত আনচাৰীৰ অধিবক্তাই বাৰাবাংকিৰ এখন আদালতত তেওঁৰ উপযুক্ত স্বাস্থ্য পৰীক্ষা নকৰাৰ অভিযোগ উত্থাপন কৰি আবেদন দাখিল কৰিছিল।

উত্তৰ প্ৰদেশৰ মাও সমষ্টিৰ পৰা পাঁচবাৰৰ বাবে বিধায়ক হিচাপে নিৰ্বাচিত মুখটাৰ আনচাৰী সম্পত্তিৰ ব্যৱসায়ৰ সৈতে জড়িত থকাৰ লগতে উত্তৰ প্ৰদেশ আৰু বিভিন্ন ঠাইত সংঘটিত ষাঠিটাতকৈ অধিক অপৰাধমূলক গোচৰৰ অভিযুক্ত আছিল। তেওঁ ২০০৫ চনৰে পৰা আৰক্ষীৰ জিম্মাত আছিল। আনচাৰী বহুজন সমাজ পাৰ্টীৰ পৰা দুবাৰকৈ নিৰ্বাচনত অৱতীৰ্ণ হৈছিল।

০০০০০০

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ লগতে প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া যুৱ ভোটদাতাসকলক উৎসাহিত কৰাৰ বাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে শ্ল’গান আৰু জিংগ্‌ল প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ভোটদাতাৰ সজাগতা বিষয়ক এই প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে ভোটৰ অধিকাৰ লাভ কৰা যুৱ ভোটদাতাসকলেহে অংশ ল’ব পাৰিব। শ্ল’গান বা জিংগ্‌লসমূহ ৪০ ছেকেণ্ডৰ ভিতৰত হোৱাকৈ অসমীয়া ভাষাত বাণীবদ্ধ কৰি পৰহিলৈৰ ভিতৰত 96196-86659 নাইবা 97166-80969 নম্বৰলৈ হোৱাট্‌ছএপযোগে প্ৰেৰণ কৰিব লাগিব। তদুপৰি প্ৰতিযোগীয়ে নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নাম সন্নিবিষ্ট কৰি পঠিয়াব লাগিব।

০০০০০

ভাৰতৰ ৰোহন বোপন্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এবডেনৰ যুটিটো মিয়ামী অ’পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ফাইনেলত প্ৰৱেশ কৰিছে। বোপন্না আৰু এবডেনৰ শীৰ্ষ বাছনিপ্ৰাপ্ত যুটিটোৱে কালি ছেমি ফাইনেলত স্পেইনৰ মাৰ্চেল গ্ৰেণোলৰ্ছ আৰু আৰ্জেণ্টিনাৰ হোৰেচিয়ো জেবালোছৰ যুটিটোক ৬-১, ৬-৪ পোনপটীয়া ছেটত পৰাস্ত কৰে। বোপন্না আৰু এবডেনৰ যুটিটো কাইলৈ ফাইনেলত আমেৰিকাৰ আষ্টিন ক্ৰাজিছেক আৰু ক্ৰ’ৱেছিয়াৰ ইভান ড’ডিকৰ সন্মুখীন হ’ব। এয়া হ’ব ৰোহন বোপন্নাৰ নিজৰ খেলুৱৈ জীৱনৰ চতুৰ্দশ এটিপি মাষ্টাৰ্ছ থাউজেণ্ড প্ৰতিযোগিতাৰ ফাইনেল। খেলুৱৈগৰাকীয়ে বৰ্তমানলৈকে ডাবলছৰ ২৫টাকৈ খিতাপ অৰ্জন কৰিছে।

ছেমি ফাইনেলত লাভ কৰা জয়ৰ সুবাদত ৪৪ বছৰীয়া বোপন্নাই এটিপিৰ ডাবলছৰ বাছনি তালিকাত পুনৰ প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ’বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু কলকাতা নাইট ৰাইডাৰ্চৰ সন্মুখীন হ’ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ’ব। ৰাজস্থান ৰয়েলছে যোৱা নিশা জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত ডেলহি কেপিটেলছক ১২ ৰানত পৰাস্ত কৰে। খেলখনত ৰাজস্থানে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ’ভাৰত ৫ উইকেটৰ বিনিময়ত ১৮৫ ৰান কৰে। ৰাজস্থানৰ হৈ ৰিয়ান পৰাগে মাত্ৰ ৪৫টা বলত ৮৪ ৰান কৰি অপৰাজিত হৈ ৰয়। প্ৰত্যুত্তৰত ডেলহি কেপিটেলছে ২০ অ’ভাৰত ৫টা উইকেট হেৰুৱাই ১৭৩ ৰানহে কৰিবলৈ সমৰ্থ হয়। ৰিয়ান পৰাগক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০০

**সমাপ্ত**